# পূব কামৰূপ মহাবিদ্যালয়
## নামভৰ্তি জাননী
## ২০২১-২২ শিক্ষাবৰ্ষ
## (বিনামূলীয়া নামভৰ্তি আঁচনি)

**প্ৰসঙ্গ নং ঃ AHE. 354/2021/8, তাৰিখ ০৬/০৯/২০২১**

অসম চৰকাৰৰ নিৰ্দেশনা অনুযায়ী পূব কামৰূপ মহাবিদ্যালয়ে ২০২১-২২ শিক্ষাবৰ্ষৰ উচ্চতৰ মাধ্যমিক (কলা আৰু বিজ্ঞান) আৰু স্নাতক (কলা আৰু বিজ্ঞান) শাখাৰ নামভৰ্তিৰ ক্ষেত্ৰত বিনামূলীয়া নামভৰ্তিৰ সুবিধা প্ৰদান কৰিব। বিনামূলীয়া নামভৰ্তিৰ সুবিধা গ্ৰহণ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীয়ে নিম্ন উল্লিখিত নিৰ্দেশনাসমূহ মানি চলিব লাগিব—

১। বিনামূলীয়া নামভৰ্তিৰ সুবিধা গ্ৰহণ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সকলো উৎসৰ পৰা বছৰেকীয়া আয়ৰ পৰিমাণ ২ লাখ টকাতকৈ কম হ'ব লাগিব।

২। যদিহে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক (মাক/ দেউতাক) চৰকাৰী (কেন্দ্ৰীয়/ ৰাজ্যিক) অথবা অৰ্দ্ধ-চৰকাৰী (কেন্দ্ৰীয়/ ৰাজ্যিক) অথবা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ কৰ্মচাৰী হয়, তেন্তে বিনামূলীয়া নামভৰ্তিৰ সুবিধা গ্ৰহণ কৰিব নোৱাৰিব।

<u>আয়ৰ তথ্য প্ৰমাণ ঃ</u>

১। ছাত্ৰ/ ছাত্ৰীয়ে একমাত্ৰ স্থানীয় ৰাজহ-চক্ৰ বিষয়াৰ দ্বাৰা স্বাক্ষৰিত অভিভাৱকৰ আয়ৰ (সকলো উৎসৰ পৰা) প্ৰমাণ-পত্ৰ দাখিল কৰিব লাগিব।

২। ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তিৰ সময়ত তেওঁলোকৰ অভিভাৱক (মাক/ দেউতাক) চৰকাৰী (কেন্দ্ৰীয়/ ৰাজ্যিক) অথবা অৰ্দ্ধ-চৰকাৰী (কেন্দ্ৰীয়/ ৰাজ্যিক) অথবা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ কৰ্মচাৰী নহয় বুলি ঘোষণা-পত্ৰ দিব লাগিব।

<u>বিনামূলীয়া নামভৰ্তিৰ সুবিধা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব আৰু কৰ্তব্য ঃ</u>

১। বিনামূলীয়া নামভৰ্তিকৰণৰ সুবিধা লাভ কৰা ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বৰ্ষত মহাবিদ্যালয় চৌহদ অথবা নিজৰ ঘৰৰ চৌহদত এটি গছপুলি ৰোপণ আৰু প্ৰতিপালন কৰিব লাগিব আৰু ইয়াৰ ফটো জমা দিব লাগিব।

২। দ্বিতীয় বৰ্ষত নামভৰ্তিকৰণৰ বাবে ৰোপিত গছপুলিটোৰ ফটো সংগ্ৰহ কৰি জমা দিব লাগিব।

7/9/21

অধ্যক্ষ

পূব কামৰূপ মহাবিদ্যালয়